জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৬২/২০২০**

**চৰাই দেউ জিলাৰ লাকুৱাত আয়োজিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৩ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# চাহ জনগোষ্ঠীৰ বিশিষ্ট সাহিত্যিক সুশীল চন্দ্ৰ কুৰ্মীক চাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্নৰ স্মৃতিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ দ্বাৰা আগবঢ়োৱা বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## আগন্তুক দিনত অসম চাহ জনজাতি ছাত্ৰ সন্থাই জনগোষ্ঠীটোৰ মাজৰ পৰা শিক্ষা, কলা, সংস্কৃতি, ক্ৰীড়া আদি জীৱন-জীৱিকাৰ প্ৰতিটো ক্ষেত্ৰতে দক্ষ মানৱ সম্পদ সৃষ্টিৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ ডিচেম্বৰ ঃ** 'এটা জাতিৰ ভৱিষ্যৎ নিৰ্মাণ কৰিবলগীয়া হ'লে জনগণে সকলো ক্ষেত্ৰতে প্ৰাণ পাই উঠিব লাগিব। সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা প্ৰদৰ্শনৰ বাবে আগবাঢ়ি আহিব লাগিব। গণতান্ত্ৰিক ধ্যান-ধাৰণাৰে অহিংস নীতিৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা বৰ অসম নিৰ্মাণৰ লগতে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত গ্ৰহণ কৰি অহা ভূমিকা সৰ্বজন স্বীকৃত।' আজি চৰাইদেউ জিলাৰ লাকুৱাৰ গমধৰকোঁৱৰ ৰাজহুৱা খেলপথাৰত আয়োজিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৩ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

সভাত সমবেত ৰাইজক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে চাহ জনগোষ্ঠীৰ দুগৰাকী বৰেণ্য পুৰুষ চাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্ন'ক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে চাহ জনগোষ্ঠীৰ লগতে বৃহত্তৰ অসমীয়া সমাজখনৰ আৰ্থ-সামাজিক উত্তৰণত তেওঁলোকৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰিবলৈ আজি আমি ইয়াত সমবেত হৈছো। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনলৈ অহাৰ দিনৰে পৰা ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীক সম-মৰ্যাদা প্ৰদানেৰে সম-উন্নয়নৰ দিশেৰে আগবঢ়াই লৈ যোৱাৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। ২০১৬ চনত চৰকাৰ গঠনৰ তিনি মাহৰ পিছতে ৰাজ্যখনৰ ৭০ টা খিলঞ্জীয়া জাতি-জনগোষ্ঠীক লগত লৈ আয়োজন কৰা 'সহোদৰ' কাৰ্যসূচীয়ে এই জাতি-জনগোষ্ঠীসমূহৰ বিকাশৰ ৰূপৰেখা নিৰ্ণয় কৰিছে। সেইদিন ধৰি ৰাজ্যৰ সৰু-বৰ প্ৰতিটো জনগোষ্ঠীৰ আৰ্থ-সামাজিক বিকাশৰ বাবে ন ন আঁচনি গ্ৰহণ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সকলোকে উন্নয়নৰ সোৱাদ প্ৰদান কৰিবলৈ সক্ষম হৈছে। চাওলুং চ্যুকাফাৰ বৰ অসম নিৰ্মাণৰ আদৰ্শৰে প্ৰতিটো জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়ন আৰু সৰলীকৰণে চৰকাৰৰ এই আঁচনিসমূহৰ মুল উদ্দেশ্য বুলি তেওঁ মন্তব্য কৰে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

চাহ জনগোষ্ঠীৰ লোকসকলক কঠোৰ পৰিশ্ৰমী আৰু কষ্ট সহিষ্ণু বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই জনগোষ্ঠীৰ আদিপুৰুষসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত অসমৰ চাহে ব্ৰিটিছ শাসনকালৰ পৰাই বিশ্বৰ বজাৰ দখল কৰাৰ লগতে বিশ্ব শ্ৰেষ্ঠ চাহ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু ইয়াৰ নেপথ্যৰ লোকসকলক আজি পৰ্যন্ত কোনেও চিনি নাপালে বুলি মন্তব্য কৰি চাহ জনগোষ্ঠীৰ নতুন প্ৰজন্মক শৈক্ষিক দিশেৰে আগুৱাই নি বিশ্বত প্ৰভূত্ব বিস্তাৰ কৰাৰ দিশত আগভাগ ল'বলৈ মুখ্যমন্ত্ৰীয়ে চাহ জনজাতি ছাত্ৰ সন্থাৰ নেতৃবৰ্গৰ লগতে জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা মন্ত্ৰী, সাংসদ, বিধায়ক সকলকো আহ্বান জনায়।

অসম লোকসেৱা আয়োগৰ সদ্যঘোষিত অসামৰিক সেৱাৰ পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা চাহ জনগোষ্ঠীৰ তিনিগৰাকী মেধাৱী সন্তান মাচি তপ্ন', দিপাঞ্জলী কুৰ্মী আৰু বিক্ৰম চাসাক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বলত জাতিটোৰ এই তিনিগৰাকী সুযোগ্য সন্তানে নতুন প্ৰজন্মৰ বাবে এক আদৰ্শৰ চানেকি দাঙি ধৰিছে। অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধনৰ বাবে ৰাজ্য চৰকাৰে চলাই অহা নিৰন্তৰ প্ৰয়াসৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলি মন্তব্য কৰি তেওঁ কয় যে অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধন কৰাটো নতুন চৰকাৰখনৰ সন্মুখত এক হিমালয় সদৃশ প্ৰত্যাহ্বান আছিল। এটা সময়ত এই আয়োগত চাকৰিৰ মুকলি বেহা চলিছিল। কৃষক, মজদুৰৰ সন্তানৰ বাবে অসম লোকসেৱা আয়োগৰ চাকৰি আকাশ কুসুম আছিল। কিন্তু বৰ্তমানৰ চৰকাৰে দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আয়োগলৈ অনা পৰিৱৰ্তনৰ ফলত আজি অতি দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীও ৰাজ্য প্ৰশাসনৰ অংশীদাৰ হোৱাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। এই পদক্ষেপে চৰকাৰখনৰ কাম-কাজত নিহিত হৈ থকা মূল্যবোধ আৰু সংস্কাৰৰ পৰিচয় দাঙি ধৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

চাহ জনগোষ্ঠীৰ লোকসকলৰ সৰ্বাংগীন উন্নয়নৰ বাবে বিগত চাৰে চাৰিটা বছৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চৰকাৰৰ দিনতে চাহ জনগোষ্ঠীৰ মৌলিক সমস্যাক লৈ বিধানসভাৰ মজিয়াত সম্পূৰ্ণ এটা দিন ৰাজ্যৰ ১২৬ গৰাকী জনপ্ৰতিনিধিয়ে আলোচনাত মিলিত হোৱাৰ পৰিৱেশ সৃষ্টি হৈছিল। এই কাৰ্যসূচীৰ আগমূহূৰ্তত জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা অসম চাহ জনজাতি ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থাকে ধৰি বিভিন্ন জাতীয় সংগঠন, অসম চাহ মজদুৰ সংঘকে ধৰি বিভিন্ন শ্ৰমিক সংগঠনৰ প্ৰতিনিধিবৰ্গ, জনগোষ্ঠীটোৰ লেখক, বুদ্ধিজীৱী আৰু বিদ্বৎ মহলৰ সৈতেও আলোচনাত মিলিত হৈ পৰামৰ্শ গ্ৰহণ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে।

চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থাই গ্ৰহণ কৰি অহা ভূমিকাৰ বাবে সংগঠনটোৰ পূৰ্বৰ আৰু বৰ্তমানৰ নেতৃবৃন্দক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা, কলা-সংস্কৃতি, ক্ৰীড়া আদি জীৱন-জীৱিকাৰ প্ৰতিটো ক্ষেত্ৰতে জনগোষ্ঠীৰ মাজৰ পৰা দক্ষ মানৱ সম্পদ সৃষ্টিৰ দিশত আগন্তুক দিনত সংগঠনটোৱে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। জনগোষ্ঠীটোৰ শৈক্ষিক উত্তৰণৰ বাবে আগন্তুক দিনত ছাত্ৰ সংগঠনটোৱে আগবঢ়োৱা প্ৰতিটো গুৰুত্বপূৰ্ণ পৰামৰ্শ চৰকাৰে

ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে। নিজৰ শৈশৱৰ স্মৃতি ৰোমন্থন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাহ বাগিচাৰ কাষতেই জন্মগ্ৰহণ কৰি ল'ৰালি কাল কটোৱাৰ বাবে তেওঁ জনগোষ্ঠীটোৰ সমস্যাৰ কথা আন্তৰিকতাৰে উপলব্ধি কৰিব পাৰে। ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনে হাতত লোৱা পদক্ষেপসমূহে জনগোষ্ঠীটোক বিকাশৰ এক নতুন পৰ্যায়লৈ নিবলৈ সক্ষম হ'ব বুলি আশা ব্যক্ত কৰি এই ক্ষেত্ৰত জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা সংগঠনসমূহৰ লগতে ৰাইজৰ সহায়-সহযোগিতা তেওঁ কামনা কৰে।

আজিৰ এই মুকলি সভাত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বাতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু পল্লৱ লোচন দাসেও ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত তেওঁলোকে চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ দিশত গ্ৰহণ কৰি অহা ভূমিকাৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ শলাগ লোৱাৰ লগতে জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ এই আঁচনিসমূহ ৰূপায়ণৰ দিশত চকু ৰখাৰ লগতে তৃণমূল পৰ্যায়ত এই ক্ষেত্ৰত চাহ শ্ৰমিকসকলৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ তেওঁলোকে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকলক আহ্বান জনায়।

অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালাই সভাপতিত্ব কৰা এই মুকলি সভাত বিধায়ক তেৰচ গোৱালা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পল্লৱী বুজৰবৰুৱা, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰহ্লাদ গোৱালা আৰু সীমাঞ্চল দিগাল, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি লিটুল বুঢ়াগোঁহাই, সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি অৰুণজ্যোতি মৰাণ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৱন বেদীয়া, প্ৰাক্তন সাধাৰণ সম্পাদক ভগীৰথ কৰণ, আদৰণী সমিতিৰ সভাপতি গোবিন্দ গগৈ, স্থানীয় শিক্ষয়িত্ৰী দীপ্তি সন্দিকৈ ৰাজখোৱাকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উপায়ুক্তদ্বয় ক্ৰমে বিষ্ণুকমল বৰা আৰু পলাশ ৰঞ্জন ঘৰফলীয়াৰ লগতে প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলো অংশগ্ৰহণ কৰে।

আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ বিশিষ্ট সাহিত্যিক সুশীল চন্দ্ৰ কুৰ্মীক চাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্ন'ৰ স্মৃতিত অসম চাহ জনজাতি ছাত্ৰ সন্থাই আগবঢ়োৱা বাৰ্ষিক বঁটাটিও আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শিক্ষক অনিল তাঁতীৰ 'টি মেকাৰ্ছ অফ নৰ্থ ইষ্ট ইণ্ডিয়া' শীৰ্ষক এখন গ্ৰন্থও আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

**প্ৰঃকুঃবঃ**
**২৮/১২/২০২০**